**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-AUG-2026
**Time :** 09-00  AM

***Assamese Morning Bulletin***

---

## HEADLINES

°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°

১। নেপালৰ আকস্মিক বানত কমেও ১৬০ জন লোকৰ মৃত্যু। ১৩৩ গৰাকী ভাৰতীয় নাগৰিকসহ ৭৫০ জন সন্ধানহীন।

২। ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়োজনীয় পুঁজি আৱণ্টনৰ আশ্বাস।

৩। গুৱাহাটী-দিল্লী সংযোগী ৰে'ল পথছোৱা চাৰিটা লাইনযুক্ত ৰে'লপথলৈ উন্নীত কৰা হ'ব বুলি কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ ঘোষণা

৪। ৰাজ্যৰ উন্নয়নমূলক পদক্ষেপৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সকলো ধৰণৰ সহায়ৰ আশ্বাস। *আৰু*

৫। কলম্বো টেষ্টৰ আজি অন্তিম দিনা শ্ৰীলংকাৰ ৬ উইকেটৰ বিনিময়ত ২২৯ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ।

০০০০০০

নেপালত কালি হোৱা আকস্মিক আৰু ভয়াৱহ বানৰ ফলত কমেও ১৬০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৩৩ গৰাকী ভাৰতীয় নাগৰিককে ধৰি ৭৫০ জন সন্ধানহীন হৈ আছে। সন্ধানহীন হোৱা ভাৰতীয় সকলৰ ভিতৰত ৫০ গৰাকী কৈলাশ মানসৰোবৰ যাত্ৰাৰ তীৰ্থযাত্ৰী আছিল। তিববতত উৎপত্তি হোৱা এই প্ৰলয়ংকাৰী বানে নিমিষতে বহু গাঁও আৰু নগৰ বুৰাই পেলোৱাৰ লগতে পথ, দলং তথা জলবিদ্যুৎ প্ৰকল্প খহাই লৈ যায়। নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানালে দেশখনৰ সংসদত প্ৰকাশ কৰা মতে স্থানীয় সময় অনুসৰি কালি পুৱা ৮ বাজি ৩৭ মিনিটত তিববতত হোৱা ভূমিকম্পৰ ৩ মিনিট মানৰ পাছতে আকস্মিক বানে অঞ্চলটোত ভয়াৱহ অৱস্থাৰ সৃষ্টি কৰে। ভূমিকম্পৰ ফলত হিমবাহৰ বিস্ফোৰণ ঘটি বানৰ সৃষ্টি হোৱা বুলিও আশংকা কৰা হৈছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰা মতে নেপাল-তিববত সীমান্তৱৰ্তী লেনডে নদীত শিল খহি পৰি নদীখনৰ জলপৃষ্ঠ অভাৱনীয়ভাৱে বৃদ্ধি কৰাৰ বাবে ৰছুৱা জিলাৰ সীমান্তৱৰ্তী চহৰ টাইমূৰৰ ভোটে ক'চিৰ পৰা ত্ৰিশূলী নৈৰ পানী ভয়াৱহভাৱে বৃদ্ধি পায়। ইয়াৰ পাছতে ৰাজধানী কাঠমাণ্ডুৰ পৰা ২০০ কিলোমিটাৰ সামৰি নৈপৰীয়া নুৱাক'ট, চিতৱান, গোৰ্খা, তানাহু আৰু পূব নুৱালপাৰাচি অঞ্চল প্লাৱিত হৈ পৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহৰ সৈতে ফোনযোগে কথা পাতি এই দুৰ্যোগৰ পৰিস্থিতিত সম্ভৱপৰ সকলো সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। শ্ৰীশ্বাহে প্ৰধানমন্ত্ৰীগৰাকীক এই সহায় আৰু আন্তৰিকতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে দেশখনলৈ সাহায্য হিচাপে ১০ টন সাহায্য সামগ্ৰী, অত্যাৱশ্যকীয় ঔষধ, অস্থায়ী আশ্ৰয়স্থলী, কম্বল, অনাময় সা-সঁজুলি আৰু সৌৰ চাকি প্ৰেৰণ কৰিছে।

সামাজিক মাধ্যমৰ বাৰ্তাযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কয়, যে এই প্ৰত্যাহ্বানপূৰ্ণ সময়ত ভাৰত নেপালৰ সৈতে আছে। কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকললৈ সাহায্য আৰু তথ্যৰ বাবে জৰুৰীকালীন নম্বৰ মুকলি কৰিছে।

বিশ্ববেংকে এই জৰুৰীকালীন পৰিস্থিতিত বিত্তীয় সাহায্য আৰু উদ্ধাৰ তথা পুনৰ নিৰ্মাণৰ বাবে ২৫ বিলিয়ন নেপালী টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসমৰ বান বিধবস্ত এলেকাৰ পুনৰ উন্নয়ন, বান ক্ষতিগ্ৰস্ত প্ৰায় ৮০ হাজাৰ লোকক সহায় কৰাৰ বাবে এহেজাৰ কোটি টকাৰ সাহায্য বিচাৰি ৰাজ্য চৰকাৰে দাখিল কৰা প্ৰস্তাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ আশ্বাস দিছে। দিল্লী ভৱনত কালি এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বান প্ৰভাৱিত লোকৰ পুনৰ সংস্থাপনৰ বাবে এহেজাৰ কোটি টকাৰ প্ৰয়োজন হ'ব। ডঃ শৰ্মাই কয়, যে বান ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে প্ৰয়োজনীয় পুঁজি গৃহ মন্ত্ৰ্যালয়ে আৱণ্টন দিব আৰু গৃহমন্ত্ৰী অমিত শ্বাহে এই ধনৰাশি প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা আলোচনাত বান বিধবস্ত পথৰ মেৰামতি আৰু বানৰ সময়ত মথাউৰি সদৃশ হৈ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ অংশসমূহত কালভাৰ্টৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা সাক্ষাতৰ সময়ত বান পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰাৰ লগতে অহা নৱেম্বৰত নতুন দিল্লীত আয়োজন কৰিবলগীয়া বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ জয়ন্তীৰ সামৰণি অনুষ্ঠানলৈ প্ৰধানমমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হৈছে বুলি প্ৰকাশ কৰে। একেদৰে কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে হোৱা আলোচনাত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমত চাৰি লাখ গৃহ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন দিয়া বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে ২ লাখ অতিৰিক্ত গৃহ আৱণ্টনৰ প্ৰতিশ্ৰুতি দিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সৈতে হোৱা সাক্ষাৎ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই বৈঠকত কেইবাটাই বিত্তীয় সমস্যাক লৈ আলোচনা কৰা হয়। মেঘালয়ৰ শেহতীয়া ঘটনাক্ৰমক লৈ মন্তব্য কৰি ড০ শৰ্মাই কয় যে পেট্ৰিচিয়া মুখিমৰ দৰে বুদ্ধিজীৱিয়ে অসমৰ পৰ্যটকৰ বিৰুদ্ধে লিখা-মেলা কৰে যদিও ৰাজ্যখনৰ একাংশ লোকে অসমীয়াক ভাল পায়। তেওঁ কয়, যে শ্বিলং এসময়ত অসমৰে ৰাজধানী আছিল, সেয়ে অসমৰ জনসাধাৰণে শ্বিলঙলৈ যাবলৈ ভাল পায়।

বাইট

শেহতীয়া পৰিস্থিতিৰ পাছত বিষয়টো অন্য ধৰণে চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আছে আৰু অসমৰ হাফলং, উমৰাংছ', কাৰ্বি আংলঙৰ দৰে ঠাইসমূহ উন্নয়ন কৰিব লাগিব। উমৰাংছ' আৰু মাজুলীৰ প্ৰস্তাৱিত বিমান বন্দৰ বৰ্তমান চৰকাৰৰ দিনতে সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে উমৰাংছ'ৰে শীঘ্ৰে পৰ্যটনৰ দিশত শ্বিলঙৰ সৈতে ফেৰ মাৰিব পাৰিব। ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰক আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি ডঃ শৰ্মাই ঘোষণা কৰে। ৰাজ্য চৰকাৰে ড্ৰাগছমুক্ত অসমৰ সংকল্প লৈছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে এইক্ষেত্ৰত গুৰুত্ব সহকাৰে কাম কৰি থকা হৈছে। তেওঁ কয়, যে এইক্ষেত্ৰত ভালেমান নতুন দিশ পোহৰলৈ আহিছে আৰু সেইসমূহৰ প্ৰতি লক্ষ্য ৰাখি এই অভিযান তীব্ৰতৰ কৰিবলৈ চৰকাৰে পণ লৈছে।

বাইট

শিৱসাগৰত বীৰ লাচিত সেনাৰ নেতা মানস জ্যোতি চেতিয়াৰ মৃত্যুৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, যে এই ঘটনাৰ উচিত তদন্তৰ নিৰ্দেশ দিয়া হৈছে। যদি হত্যা কৰা হৈছে, তেন্তে নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

দেশৰ ৰাজধানী দিল্লীৰ সৈতে গুৱাহাটীক সংযোগ কৰা ৰে'ল পথছোৱা দ্বৈত ৰে'লপথৰ পৰা চাৰিটা লাইনযুক্ত ৰে'লপথলৈ উন্নীত কৰা হ'ব বুলি কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে গুৱাহাটী-দিল্লী সংযোগী ৰে'লপথছোৱাকে ধৰি দেশৰ ৭টা অতি ব্যস্ত ৰে'লপথ চাৰিটা লেনযুক্ত ৰে'লপথলৈ উন্নীত কৰা হ'ব। তেওঁ কয়, যে এই ৭ টা ৰে'লপথৰ মুঠ দৈৰ্ঘ্য ১১ হাজাৰ কিলোমিটাৰ আৰু

দেশৰ মুঠ ৰে'ল গাড়ীৰ ৪১ শতাংশ এই ৰে'লপথছোৱাৰে চলাচল কৰে। তেওঁ গুৱাহাটী-দিল্লীৰ মাজৰ পথছোৱাৰ বিতং প্ৰকল্প প্ৰতিবেদন - ডি পি আৰ প্ৰস্তুত কৰি থকা হৈছে বুলি উল্লেখ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খাট্টাৰক সাক্ষাৎ কৰে। তেওঁ বৈঠকত অসমৰ শক্তি স্বাৱলম্বিতা, গুৱাহাটীৰ বিদ্যুৎ আন্তঃগাঁথনি আৰু নগৰ উন্নয়নক লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দীঘলীয়া আলোচনাত মিলিত হয়। বিশেষকৈ অসমৰ দীৰ্ঘম্যাদী বিদ্যুৎ চাহিদা, কেন্দ্ৰীয় উৎপাদন কেন্দ্ৰৰ পৰা আবণ্টিত বিদ্যুতৰ সদ্ব্যৱহাৰ আৰু মাটিৰ তলেৰে কেব্‌ল স্থাপন কৰি গুৱাহাটীৰ বিতৰণ নেটৱৰ্ক সুদৃঢ়কৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। দুয়োগৰাকী নেতাই লগতে গেছ আধাৰিত বিদ্যুৎ উৎপাদনৰ বাবে প্ৰাকৃতিক গেছৰ সদ্ব্যৱহাৰ আৰু মূল্য নিৰ্ধাৰণক লৈও মত-বিনিময় কৰে। বৈঠকত শ্ৰীখাট্টাৰে অসমৰ উন্নয়নমূলক পদক্ষেপৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায়ৰ আশ্বাস দিয়ে।

০০০০০০

আমিনগাঁৱৰ সাঁতোৰ প্ৰকল্পস্থিত ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰটো কাইলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে কালি কেন্দ্ৰটো পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ সকলো সুবিধা আৰু উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। কেন্দ্ৰটো পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়—

**বাইট (বিশ্বজিৎ দৈমাৰী)**

ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ অধীনৰ এই কেন্দ্ৰটো এহেজাৰ ৩০৯ খন আসনবিশিষ্ট দৰ্শক গেলাৰীৰে সমৃদ্ধ। প্ৰকল্পটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰতাৰ ২৫-ইনটু-২০ মিটাৰ জোখৰ এটা ড্ৰাইভিং পুখুৰী অন্তৰ্ভুক্ত হৈ আছে। কেন্দ্ৰটোত ৩০গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব। কাইলৈ উদ্বোধনী অনুষ্ঠানত অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ লগত এখন বুজাবুজি চুক্তিৰ স্বাক্ষৰিত হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে খেলো ইণ্ডিয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। **মেৰা যুৱ ভাৰত** কাৰ্যসূচীৰ অধীনত আয়োজিত এই অনুষ্ঠান সমগ্ৰ দেশতে আয়োজন কৰা হ'ব। দেশৰ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিখন জিলাৰ দুখনকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ জৰিয়তে ক্ৰীড়া, যুৱ নেতৃত্ব, নাগৰিক দায়বদ্ধতা, স্বেচ্ছাসেৱা, সুস্বাস্থ্য আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ এখন উমৈহতীয়া মঞ্চত যুৱ প্ৰজন্মক একত্ৰিত কৰিব বিচৰা হৈছে।

ডিব্ৰুগড়ত আজি আয়োজিত অনুষ্ঠানত বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ভাৰতৰ ফুটবল দলৰ প্ৰাক্তন অধিনায়ক বাইচুং ভুটীয়া উপস্থিত থাকিব। দিনৰ চাৰে ১০ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব।

চাংসাৰিৰ এইমছ, দক্ষিণ শালমাৰা মানকাচৰ মহাবিদ্যালয় আৰু টিহু মহাবিদ্যালয়তো এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীয়ে কালি সন্ধিয়া তামুলপুৰৰ কুমাৰীকাটাস্থিত নিজা বাসগৃহত আত্মহনন কৰে। আমাৰ তামুলপুৰৰ সংবাদদাতাই বিশেষ সূত্ৰৰ উদ্ধৃতি দি প্ৰকাশ কৰা মতে প্ৰয়াত নাৰ্জাৰী বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল। ঘটনাৰ পাছতে তামুলপুৰ আৰক্ষী দলে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। দৰঙাজুলি পৰিষদীয় সমষ্টিৰ পৰা চাৰিবাৰকৈ পৰিষদীয় চৰকাৰক প্ৰতিনিধিত্ব কৰা নাৰ্জাৰীৰ বিয়োগত

বিটিআৰৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণে শোক প্ৰকাশ কৰিছে। ২০১০ চনৰ উপ-নিৰ্বাচনত প্ৰথমবাৰৰ বাবে বিপিএফৰ হৈ নিৰ্বাচিত হোৱা নাৰ্জাৰীয়ে একেৰাহে তিনিবাৰ বিপিএফৰ প্ৰাৰ্থী হিচাপে জয়ী হৈছিল। ২০২৫ চনত বিটিচিৰ পৰিষদীয় নিৰ্বাচনত তেওঁ চতুৰ্থবাৰৰ বাবে বিজেপিৰ হৈ জয়লাভ কৰিছিল।

০০০০০০

শ্ৰীলংকাই ভাৰতৰ বিৰুদ্ধে কলম্বোত অনুষ্ঠিত চলিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলৰ আজি পঞ্চম দিনা ছটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২২৯ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। শ্ৰীলংকা সম্প্ৰতি ভাৰততকৈ সামগ্ৰিকভাৱে ১৬ ৰানত আগবাঢ়ি আছে। শ্ৰীলংকাই কালি ২৯০ ৰানত প্ৰথম ইনিংছ সামৰে আৰু ফল'অনৰ সন্মুখীন হয়। ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণা আৰু মানৱ সুথাৰে ৩ টাকৈ উইকেট দখল কৰে। সাৰংশ জৈনে ২ টা উইকেট লাভ কৰে। ইয়াৰ আগেয়ে ভাৰতে ৯ উইকেটৰ বিনিময়ত ৫০৩ ৰানত প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ভাৰত সম্প্ৰতি শৃংখলাৰ ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে এই খেলখনত জয়লাভ কৰিলে ২০২৫-২৭ বৰ্ষৰ বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলৰ দৌৰত চতুৰ্থ স্থানলৈ উন্নীত হ'ব। বৰ্তমান অষ্ট্ৰেলিয়া প্ৰথম স্থানত, দক্ষিণ আফ্ৰিকা দ্বিতীয় আৰু নিউজিলেণ্ড তৃতীয় স্থানত আছে।

০০০০০০

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত নেপালত হোৱা ভয়াৱহ আকস্মিক বান আৰু জন-ধনৰ লগতে আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতিৰ বাতৰিয়ে শিৰোনাম দখল কৰিছে। অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, দি চেন্টিনেল, আমাৰ অসম, দৈনিক অসম, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, দি আচাম ট্ৰিবিউন কাকতত নেপালৰ বিধ্বংসী বানৰ বাতৰিটোৱে মুখ্য বাতৰিৰ শিৰোনাম দখল কৰিছে। নেপালৰ বানৰ ফলত ১৩৩ গৰাকী ভাৰতীয়সহ তিনি শতাধিক বিদেশী নাগৰিকৰ কোনো শুংসূত্ৰ নাই বুলি দৈনিক অসম কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। এই জলপ্ৰলয়ত এই মূহুৰ্তলৈ ১৬০ জনৰ মৃত্যু আৰু ৭৫০জনৰো অধিক লোক নিৰুদ্দেশ হৈ আছে বুলি দি আচাম ট্ৰিবিউন কাকতে আনুষ্ঠানিক তথ্য সন্নিৱিষ্ট এটা বাতৰি প্ৰকাশ কৰিছে। চীন আৰু নেপালে বৰ্তমানো জলপ্ৰলয়ৰ কাৰণ নিৰ্ণয় কৰিব পৰা নাই বুলি দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। আমাৰ অসম কাকতকত প্ৰকাশিত বাতৰিটোৰ শিৰোনাম-গ্লেচিয়াৰ ভাগি নেপালত জলপ্ৰলয়, পৰ্যটকসহ শ শ লোকৰ মৃত্যুৰ আশংকা। এতিয়া আহক আমি পুনৰ উভতি যাঁও বাতৰিৰ মাজলৈ।**

০০০০০০

ৰাজ্যৰ সাঁচিকাঠ খণ্ডৰ বহনক্ষম উন্নয়ন আৰু প্ৰসাৰৰ উদ্দেশ্যে গঠিত বহু বিভাগীয় কাৰ্যবাহিনীৰ প্ৰথমখন গুৰুত্বপূৰ্ণ বৈঠক আৰু অংশীদাৰসকলৰ সৈতে দিনজোৰা মত-বিনিময় সভা কালি গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যৰ আনুমানিক ৩ লাখ হেক্টৰ ভূমি সামৰি ৰোপণ কৰা সাঁচি গছৰ বিপুল সম্পদক মূলধন হিচাপে লৈ প্ৰসংস্কৰণ, মূল্য সংযোজন, বিপণন আৰু ৰপ্তানিক সাঙুৰি সুসংহত মূল্য শৃংখলা গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হয়। সাঁচিকাঠৰ অংশীদাৰসকলৰ বৈঠকৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই সাঁচি কাঠক লৈ অসমৰ অৰ্থনীতি যাতে শক্তিশালী হৈ উঠে, এই ব্যৱসায় যাতে আইন সন্মতভাৱে গঢ় লয়, তাৰবাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ কয়, যে নীতি, আন্তঃগাঁথনি, উদ্যোগৰ মাধ্যমেৰে ৰূপায়িত কৰিলেহে সম্ভাৱনাৰ উত্তৰণ সম্ভৱ হৈ উঠে। ৰাজ্যত সাঁচি কাঠক লৈ থকা সম্ভাৱনাৰ পৰিসৰ বৃদ্ধি কৰাৰ সময় আহি পৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে

প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি অসমৰ জনসাধাৰণ সাঁচিকাঠৰ পৰা তেল বা সুগন্ধি প্ৰসংস্কৰণৰ সৈতে জড়িত হৈ আছে। তেওঁ লগতে অসমত সাঁচি কাঠৰ সম্পূৰ্ণ মূল্য শৃংখল গঢ়ি তোলাৰ পোষকতা কৰে। সন্মিলনত অংশ লৈ বিত্ত, পৰিৱেশ আৰু বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সাঁচি কাঠৰ উৎপাদকসকলে উপাযুক্ত মূল্য লাভ কৰা বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ অসমতে উৎপাদনৰ লগতে ব্যৱসায় কৰাৰ বাবে সকলোকে আহ্বান জনাই কয়, যে ইয়াতে সকলো হ'লেহে ৰাজ্যলৈ বাহিৰৰ ক্ৰেতা আহিব আৰু এইক্ষেত্ৰৰ সকলো বাধা আঁতৰিব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**